**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-01-2025 **Time :** 1340 Hrs.

***Assamese NSD Midday Bulletin***

***HEADLINES***

১। ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইঘণ্টামানৰ ভিতৰতে অভিলেখ সংখ্যক কাৰ্যকৰী নিৰ্দেশত স্বাক্ষৰ কৰে।

২। ছত্তীশগড়-ওড়িশা সীমান্তত যোৱা নিশা এটা যুটীয়া আন্তঃৰাজ্যিক অভিযানত কমেও ১৪ জন মাওবাদী নিহত হয়।

৩। মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰাজ্য কেইখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত **প্ৰধানমন্ত্ৰী জনমন** কাৰ্যসূচী সন্দৰ্ভত জিলা দণ্ডাধীশসকলৰ এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে।

**আৰু**

৫। মহিলাৰ ১৯ বছৰ অনূৰ্ধ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত মালয়েছিয়াই ভাৰতক জয়ৰ বাবে ৩২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০

ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইঘণ্টামানৰ ভিতৰতে অভিলেখ সংখ্যক কাৰ্যকৰী নিৰ্দেশত স্বাক্ষৰ কৰে। দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা ৰাষ্ট্ৰপতিগৰাকীয়ে কালি শপতগ্ৰহণ কৰি দিয়া ভাষণতে ৰাইডেন প্ৰশাসনৰ মূল নীতিসমূহৰ বিপৰীত ধৰণৰ নীতি প্ৰৱৰ্তনৰ কথা ঘোষণা কৰিছিল। ইয়াৰ পাছতে ৰাষ্ট্ৰপতিৰ বাবে আয়োজিত কুচকাৱাজ প্ৰত্যক্ষ কৰাৰ অন্তত ট্ৰাম্পে আন এটা ভাষণ দিয়ে আৰু কমেও ৮০টা কাৰ্যকৰী নিৰ্দেশত স্বাক্ষৰ কৰে। এই নিৰ্দেশসমূহৰ ভিতৰত আমেৰিকাত অনুপ্ৰৱেশ ৰোধ কৰা, জীৱাশ্ম ইন্ধনৰ উৎপাদন বৃদ্ধি, ২০২১ চনৰ পেৰিছ জলবায়ু চুক্তিকে ধৰি পৰিৱেশ সম্পৰ্কীয় চুক্তিসমূহৰ ৰূপায়ণৰ প্ৰক্ৰিয়া ৰাইডেন প্ৰশাসনৰ পূৰ্বৰ স্থিতিলৈ অনাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত অন্তৰ্ভুক্ত হৈছে। উল্লেখযোগ্য যে এটা গুৰুত্বপূৰ্ণ নিৰ্দেশ যোগে ৰাষ্ট্ৰপতি ট্ৰাম্পে বিশ্ব স্বাস্থ্য সংস্থাৰ সদস্য পদ ত্যাগ কৰাৰ কথাও উল্লেখ কৰে। কোভিডৰ প্ৰাদুৰ্ভাবৰ সময়ত সংস্থাটোৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ত্ৰুটিকে ধৰি একাধিক কাৰণ আৰু প্ৰয়োজনীয় সংস্কাৰ গ্ৰহণ নকৰাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এই নিৰ্দেশ জাৰি কৰে। তেওঁ লগতে সংস্থাটোৱে অসাধুভাৱে আমেৰিকাৰ পৰা অধিক সহযোগিতামূলক ধনৰাশি দাবী কৰাৰ বিপৰীতে চীনৰ পৰা কম পৰিমাণৰ ধন লৈছে বুলি অভিযোগ তোলে। তেওঁ সংস্থাটোৱে চীনৰ প্ৰতি পক্ষপাতিত্বমূলক মনোভাৱ প্ৰদৰ্শন কৰাৰো অভিযোগ তোলে। এই নতুন নিৰ্দেশ অনুসৰি আমেৰিকাই এবছৰৰ ভিতৰত বিশ্ব স্বাস্থ্য সংস্থাৰ সদস্য পদ

ত্যাগ কৰি সংস্থাটোলৈ সকলো আৰ্থিক সহযোগিতা প্ৰদান বন্ধ কৰিব। উল্লেখযোগ্য যে আমেৰিকাই সংস্থাটোলৈ সৰ্ববৃহৎ অৰ্থাৎ কমেও ১৮ শতাংশ বিত্ত যোগান ধৰি আহিছে। ট্ৰাম্পে লগতে যুক্তৰাষ্ট্ৰীয় কৰ্মচাৰীসকলৰ বাসগৃহৰ পৰা কাম কৰাৰ ব্যৱস্থা অৰ্থাৎ ৱাৰ্ক ফ্ৰম হোমৰ অন্ত পেলোৱাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। শক্তি সম্পৰ্কে এটা নিৰ্দেশ যোগে ট্ৰাম্পে ৰাষ্ট্ৰীয় শক্তিক্ষেত্ৰৰ জৰুৰীকালীন অৱস্থা ঘোষণা কৰি খননৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰে আৰু জীৱাশ্ম ইন্ধনৰ উৎপাদনত উদগনি যোগাইছে। তেওঁ কয়, যে আমেৰিকাই নিজৰ বিশাল তেল আৰু প্ৰাকৃতিক গেছক মূলধন হিচাপে লৈ জীৱাশ্ম ইন্ধনৰ এখন প্ৰভাৱশালী উৎপাদনকাৰী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব। তেওঁ বাক স্বাধীনতা পুনৰুদ্ধাৰ আৰু যুক্তৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ অন্ত পেলোৱাৰ বাবে এটা গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰিছে। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰত এতিয়াৰে পৰা কেৱল পুৰুষ আৰু মহিলা এই দুটা লিংগকহে স্বীকৃতি দিয়া হ'ব বুলি এটা বিতৰ্কিত নিৰ্দেশ জাৰি কৰিছে।

০০০০০০০

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ভাৰতীয় সময় অনুসৰি যোৱা নিশা চাৰে ৮ বজাত ৱাশ্বিংটনৰ কেপিটেল হিলত আমেৰিকাৰ মুখ্য ন্যায়াধীশ জন ৰবাৰ্টছে ৭৮ বছৰীয়া ড'নাল্ড জন ট্ৰাম্পক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। উল্লেখযোগ্য যে যোৱা বছৰৰ ৫ নৱেম্বৰত অনুষ্ঠিত নিৰ্বাচনত ড'নাল্ড ট্ৰাম্পে তেওঁৰ প্ৰতিদ্বন্দ্বী কমলা হেৰিছক পৰাজিত কৰি দ্বিতীয় বাৰলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল। কালিৰ শপত গ্ৰহণ অনুষ্ঠানত বিশ্বৰ কেইবাগৰাকীও চৰকাৰ প্ৰধানে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে,মাৰ্কো ৰুবিঅ'ক ট্ৰাম্প নেতৃত্বাধীন আমেৰিকা প্ৰশাসনৰ ৭২ সংখ্যক বিদেশ মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে। আমেৰিকাৰ চিনেটে এই কথা নিশ্চিত কৰিছে।আমেৰিকাৰ চিনেটৰ চৰকাৰী ৱেবছাইটৰ তথ্য অনুসৰি ১১৯ সংখ্যক কংগ্ৰেছৰ প্ৰথম অধিৱেশনত ৰুবিঅ'ই ৯৯ টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। হোয়াইট হাউছেও সামাজিক মাধ্যমযোগে তেওঁৰ নিযুক্তি নিশ্চিত কৰিছে।ইপিনে,ভাৰতীয় মূলৰ উদ্যোগী বিবেক ৰামাস্বামী,টেছলাৰ মুখ্য কাৰ্যবাহী বিষয়া এলন মাস্কৰ সৈতে চৰকাৰী দক্ষতা বিভাগৰ সহ-মুৰব্বীৰ দায়িত্বত নাথাকিব বুলি ট্ৰাম্পৰ শপত গ্ৰহণ অনুষ্ঠানৰ কেইঘণ্টামানৰ পাছতে হোৱাইট হাউছে নিশ্চিত কৰে।

০০০০০০০

ছত্তীশগড়-ওড়িশা সীমান্তত যোৱা নিশা এটা যুটীয়া আন্তঃৰাজ্যিক অভিযানত কমেও ১৪ জন মাওবাদী নিহত হয়। ছত্তীশগড়ৰ কুলহাৰীঘাট সংৰক্ষিত বনাঞ্চল এলেকাত ভালেমান মাওবাদীৰ উপস্থিতি সন্দৰ্ভত তথ্য লাভ কৰাৰ পাছতে ছত্তীশগড় আৰু ওড়িশাৰ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ জোৱানে আন্তঃৰাজ্যিক

অভিযান চলায়। ছত্তীশগড়ৰ গৰিয়াবান্ধ জিলা আৰু ওড়িশাৰ নোৱাপাৰা জিলাৰ সীমান্ত অঞ্চলত সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত এই মুখামুখি সংঘৰ্ষ প্ৰায় ২৪ ঘণ্টা ধৰি চলে। কালি দুগৰাকী মহিলা মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰাৰ উপৰি আজি পুৰা ১২ জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। সুৰক্ষা বাহিনীয়ে মাওবাদী অধ্যুসিত এলেকাটোৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ জব্দ কৰে। সুৰক্ষা বাহিনীয়ে এলেকাটোত এতিয়াও অভিযান অব্যাহত ৰাখিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই অভিযানৰ সফলতাৰ বিষয়ত সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে নক্সালমুক্ত ভাৰত গঠনত নিৰাপত্তা বাহিনীয়ে বিশেষ সফলতা লাভ কৰিছে।

০০০০০০০

মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰাজ্য কেইখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে এই ৰাজ্যকেইখনৰ উদ্যমী জনসাধাৰণে দেশৰ উন্নয়নৰ প্ৰতি উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। ৰাষ্ট্ৰপতিয়ে তিনিওখন ৰাজ্যৰ জনসাধাৰণৰ শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী ভৱিষ্যত কামনা কৰাৰ লগতে সাংস্কৃতিক বৈচিত্ৰ্য, প্ৰাণৱন্ত পৰম্পৰা আৰু চহকী জৈৱ বৈচিত্ৰৰে এই ৰাজ্যকেইখনে উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে ভাৰতবৰ্ষৰ জনগাঁথনিৰ উজ্বল মণিমুকুতা সদৃশ এই ৰাজ্য তিনিখনে বৈচিত্ৰৰ মাজৰ ঐক্যৰ ধাৰণাক প্ৰতিফলিত কৰাৰ লগতে দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যৰো নিদৰ্শন দাঙি ধৰে। তেওঁ কয়, যে অনবদ্য পৰম্পৰা আৰু থলুৱা কলাকৌশলেৰে এই ৰাজ্যসমূহে দেশৰ সাংস্কৃতিক গাঁথনিক সুদৃঢ় কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যকেইখনৰ জনসাধাৰণলৈ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জনাই দিয়া বাৰ্তাত কয়, যে মণিপুৰৰ জনসাধাৰণে ভাৰতৰ বিকাশৰ বাবে আগবঢ়াই অহা অৱদানক লৈ দেশবাসীয়ে গৰ্ব অনুভৱ কৰে। তেওঁ মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ইয়াৰ জনসাধাৰণৰ উদ্যমী মনোভাবক ভূয়শী প্ৰশংসা কৰাৰ লগতে ত্ৰিপুৰাই দেশৰ প্ৰগতিত উল্লেখনীয় বৰঙণি যোগাইছে বুলি মন্তব্য কৰে।

০০০০০০০

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত **প্ৰধানমন্ত্ৰী জনমন** কাৰ্যসূচী সন্দৰ্ভত জিলা দণ্ডাধীশসকলৰ এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম আৰু বিভাগটোৰ ৰাজ্যিক মন্ত্ৰী দুৰ্গা দাস উইকেও এই সন্মিলনত ভাগ ল'ব। এই সন্মিলনত প্ৰধানমন্ত্ৰী জনমন অভিযানৰ অধীনত গ্ৰামাঞ্চলৰ গৃহ আৰু পথ উন্নয়ন, বিদ্যালয়সমূহৰ ছাত্ৰাৱাস, খোৱাপানী, অংগনৱাড়ী কেন্দ্ৰসমূহৰ কাম-কাজৰ লগতে বহুমুখী কেন্দ্ৰসমূহৰ কাৰ্যকৰিতা- এই ছটা মূল বিষয়ক লৈ আলোচনা কৰা হ'ব। যিসমূহ জিলাত উন্নয়নৰ যথেষ্ট থল আছে সেইসমূহ জিলাৰ বিকাশৰ পথ সুগম কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য।

০০০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আজি বেলজিয়ামৰ বৈদেশিক পৰিক্ৰমা আৰু বৈদেশিক বাণিজ্য মন্ত্ৰী বাৰ্নাৰ্ড কুইণ্টিনৰ সৈতে ব্ৰাছেলছত এখন দ্বিপাক্ষিক আলোচলাত মিলিত হয়। দুয়োগৰাকী নেতাই বৈদেশিক বাণিজ্যৰ ওপৰত বেলজিয়ামৰ নিৰ্ভৰযোগ্যতা আৰু ভাৰত ক্ৰমাৎ দ্ৰুত বিকাশশীল অৰ্থনীতিৰূপে গঢ় লৈ উঠাৰ

পৰিপ্ৰেক্ষিতত পাৰস্পৰিক সুবিধা গ্ৰহণৰ সম্ভাৱনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে ভাৰত আৰু বেলজিয়ামে ২০২৩-২৪ বৰ্ষত ১৫ বিলিয়ন ডলাৰৰো অধিক মূল্যৰ বাণিজ্যিক বিনিময় কৰিছিল।

০০০০০০০

বিজেপিয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱা দিল্লীৰ যুৱক-যুৱতীসকলক ১৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ লগতে পৰীক্ষাৰ প্ৰৱেশ মাচুল আৰু দুবাৰকৈ অহা-যোৱাৰ ভাড়া পৰিশোধ কৰাৰ কথা ঘোষণা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপি নেতা অনুৰাগ ঠাকুৰে দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে দলৰ দ্বিতীয়খন সংকল্প পত্ৰ প্ৰকাশ কৰি এই কথা সদৰি কৰে। শ্ৰী ঠাকুৰে কয়, যে দলে প্ৰাক প্ৰাথমিকৰ পৰা আৰম্ভ কৰি স্নাতকোত্তৰ পৰ্যায়লৈকে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰী শিক্ষানুষ্ঠানত বিনামূলীয়া শিক্ষা প্ৰদান কৰিব। ৰাষ্ট্ৰীয় ৰাজধানীখনত বিজেপিয়ে চৰকাৰ গঠন কৰিলে অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক কাৰিকৰি আৰু বৃত্তিমূলক পাঠ্যক্ৰমৰ বাবে ড০ বি আৰ আম্বেদকাৰ বৃত্তি আঁচনিৰ অধীনত প্ৰতিমাহে এহেজাৰ টকাকৈ বৃত্তি প্ৰদান কৰা হ'ব বুলি শ্ৰী ঠাকুৰে লগতে প্ৰকাশ কৰে। অটো-টেক্সী চালক সকলৰ বাবে ১০ লাখ টকাৰ জীৱন বীমা, দুৰ্ঘটনা বীমা আৰু ৫ লাখ টকাৰ বাহনৰ বীমাৰ লগতে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবে বৃত্তি প্ৰদানৰ কথাও বিজেপিৰ সংকল্পপত্ৰত উল্লেখ কৰা হয়।

০০০০০০০

মহিলাৰ ১৯ বছৰ অনূৰ্ধ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰতে মালয়েছিয়াক ১০ উইকেটত পৰাস্ত কৰে। ভাৰতে নিৰ্ধাৰিত ৩৩ ৰান লক্ষ্যত ২ অভাৰ ৫ বলত উপনীত হয়। ভাৰতৰ হৈ বৈষ্ণৱী শৰ্মাই ৫টা উইকেট দখল কৰাৰ লগতে আয়ুষী শুক্লাই তিনিটা আৰু জোশিতা ভি জেই এটা উইকেট দখল কৰে।

গ্ৰুপ-এৰ আন এখন খেলত ৱেষ্ট ইণ্ডিজে শ্ৰীলংকা বিৰুদ্ধে খেলিব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৯ উইকেটত বিজয় সাব্যস্ত কৰি প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিছে।

০০০০০০০

সমাপ্ত